**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-01-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত গোচৰসমূহৰ শুনানি আজি পুনৰ গ্ৰহণ কৰিব। এই গোচৰসমূহক লৈ ন্যায়ালয়ত চলি থকা শুনানিৰ অংশ হিচাপে কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ বিচাৰপীঠত গোচৰীয়া পক্ষ আৰু চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই নিজ পক্ষৰ যুক্তি দাঙি ধৰে। শুনানি কালত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ন্যায়ালয়ে আৰোপ কৰা স্থগিতাদেশ প্ৰত্যাহাৰৰ বাবেও আবেদন জনোৱা হয় যদিও ন্যায়ালয়ে এই ক্ষেত্ৰত চৰকাৰক সেউজ সংকেত প্ৰদান নকৰিলে। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি একাংশ লোকে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল। আজি পুনৰ এই গোচৰসমূহৰ শুনানি লোৱা হ'ব।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ দলে হায়দৰাবাদত অৰ্ধ পৰিবাহী বিষয়ক এখন কৰ্মশালাত অংশগ্ৰহণ কৰিছে। বিট্‌ছ পিলানিৰ হায়দৰাবাদ চৌহদত কালিৰেপৰা ১৫ দিনীয়াকৈ অনুষ্ঠিত এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰীসকলে অংশ লৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে যোৱা বছৰৰ ছেপ্তেম্বৰত অৰ্ধ পৰিবাহী অৰ্থাৎ ছেমি কণ্ডাক্টৰ বিষয়ক এবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম আৰম্ভ কৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে এই কৰ্মশালাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে।

০০০০০০০

ডিমাহাচাও জিলাৰ উমৰাংছ'ত ৩০০ ফুট দ' এটা কয়লাখনিত দ্ৰুতগতিত পানী সোমোৱাৰ ফলত কমেও ৯ জন শ্ৰমিক আৱদ্ধ হৈ পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি শ্ৰমিকসকলক উদ্ধাৰৰ বাবে চলি থকা অভিযানত সেনা বাহিনীক সহায়ৰ বাবে আহ্বান জনায়। জানিব পৰা মতে উমৰাংছ'ৰ ১৯ নম্বৰ কয়লাখনিত কালি পুৱা কয়লা খননৰ বাবে গৈ শ্ৰমিককেইজন আবদ্ধ হৈ পৰে। শ্ৰমিকৰ দলটো খনিটোত প্ৰৱেশ কৰাৰ পাছতে পানী সোমাই যোৱাৰ ফলত আবদ্ধ হৈ পৰা এই লোকসকলৰ উদ্ধাৰৰ বাবে ততালিকে স্থানীয় লোক আৰু আৰক্ষীয়ে চেষ্টা চলাই যদিও সফলতা লাভ কৰিব পৰা হোৱা নাই। এছ ডি আৰ এফ আৰু এন ডি আৰ এফেও উদ্ধাৰকাৰ্যত সহায় কৰিবলৈ ঘটনাস্থলীত উপস্থিত হৈছে।

০০০০০০০

বিশ্ব সাংস্কৃতিক ঐতিহ্য চৰাইদেউ মৈদাম ক্ষেত্ৰত লোককৃষ্টি গৱেষণা উন্নয়ন সমিতি, চৰাইদেউবাসী আৰু অসম চৰকাৰৰ সহযোগত অহা ৯ জানুৱাৰীৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ ২০২৫ উদযাপন কৰা হ'ব। ৯ জানুৱাৰীৰ পুৱা চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱে মহোৎসৱৰ মুখ্য তোৰণ মুকলি কৰি এই মহোৎসৱৰ শুভাৰম্ভ কৰিব। দিনৰ ১০ বজাত ধৰ্মীয় পৰম্পৰাগত ৰীতি-নীতিৰে টাই ম'লুংসকলৰ দ্বাৰা বান-ফি আৰম্ভ কৰা হ'ব। মহোৎসৱত গ্ৰন্থ মেলা, বস্ত্ৰ মেলা, কৃষি মেলাৰ লগতে বৰ্ণাঢ্য

সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ লগত সংগতি ৰাখি লোককৃষ্টি গৱেষণা আৰু উন্নয়ন সমিতিয়ে মহাবীৰ লাচিত বৰফুকন শীৰ্ষক এখন বুৰঞ্জীমূলক নাটক মঞ্চস্থ কৰিব। পৰম্পৰাগত খেল ধেমালি প্ৰতিযোগিতাৰ লগতে মাৰাথন দৌৰ প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা আদিৰো আয়োজন কৰা হৈছে। এই মহোৎসৱত ৰাজ্য চৰকাৰৰ কেইবাজনো মন্ত্ৰীৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সমীপৰ জনবসতিপূৰ্ণ অঞ্চলসমূহত শেহতীয়াকৈ মানুহ আৰু বন্য প্ৰাণীৰ মাজত দেখা দিয়া সংঘাট দূৰ কৰাৰ বাবে উপায় উদ্ভাৱন কৰিবলৈ কালি বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ উপস্থিতিত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শেহতীয়াকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৱৰ্তী অঞ্চলসমূহৰ ৰাইজে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে আলোচনা কৰা হয়। এই আলোচনাকালত গ্ৰহণ কৰা সিদ্ধান্তই অদূৰ ভৱিষ্যতে ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ৰাইজক সকাহ দিয়াৰ উপৰি বন্য প্ৰাণীৰ সুৰক্ষা নিশ্চিত কৰিব বুলি মন্ত্ৰী পাটোৱাৰীয়ে প্ৰকাশ কৰে। বৈঠকত লগতে এই অঞ্চলসমূহত বাস কৰা যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ বিষয়ে আলোচনা কৰা হয়। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাও অংশগ্ৰহণ কৰে। বন মন্ত্ৰীগৰাকীয়ে কালি কাজিৰঙাৰ কঁহৰাত নিৰ্মাণ কৰি উলিওৱা কাজিৰঙা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয় উদ্বোধন কৰে। উদ্বোধনকালত মন্ত্ৰী শ্ৰী বৰাও উপস্থিত থাকে।

০০০০০০০

মাজুলীৰ বনগাঁও টাউন ক্লাবৰ উদ্যোগত অহা ১০ জানুৱাৰীৰ পৰা ৩ দিনীয়াকৈ এখন দিবা-নৈশ টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ কাব্য শাস্ত্ৰী লক্ষ্যচন্দ্ৰ আটাৰ সোঁৱৰণত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ প্ৰাইজমানি মুঠ দুই লাখ টকা। প্ৰতিযোগিতাখনৰ চূড়ান্ত বিজয়ীলৈ ট্ৰফীসহ নগদ এক লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱাৰ লগতে বিজেতা দলক ট্ৰফীসহ নগদ ৭০ হাজাৰ টকা প্ৰদান কৰা হ'ব। আনহাতে মেন অব দ্যা ছিৰিজলৈ ১০ হাজাৰ টকা আৰু ফাইনেল খেলৰ মেন অব দ্যা মেচলৈ ৫ হাজাৰ টকাৰ লগতে প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটছমেন আৰু বলাৰক ৫ হাজাৰ টকাকৈ পুৰস্কাৰ প্ৰদান কৰা হ'ব।

০০০০০০০

দুলীয়াজানৰ নেহৰু ময়দানত কালি অনুষ্ঠিত কেপ্তেইন জিণ্টু গগৈ সোঁৱৰণী ফুটবল প্ৰতিযোগিতাৰ পুল-বিৰ অন্তিমখন খেলত অইল ইণ্ডিয়া এফ চিয়ে আপাৰ আছাম এফ চিক ৫-০ গলত পৰাস্ত কৰি ছেমিফাইনেলত উপনীত হয়। খেলখনত বিজয়ী দলৰ হৈ আক্ৰাং নাৰ্জাৰীয়ে হেট্ৰিক কৰাৰ লগতে ছেমছন শইকীয়া আৰু জয়দ্বীপ গগৈয়ে এটাকৈ গল দিয়ে। উল্লেখযোগ্য যে ৩ জানুৱাৰীৰ পৰা ডিগবৈৰ টিংৰাই ফুটবল ষ্টেডিয়াম আৰু ডিগবৈৰ জুবিলী গ্ৰাউণ্ডত প্ৰতিযোগিতাৰ খেলসমূহ অনুষ্ঠিত হৈছে।

০০০০০০০

**সমাপ্ত**